প্ৰেছ বিজ্ঞপ্তি
৮ ফেব্ৰুৱাৰী,২০১৭

**ভাৰতত বেংকিং ব্যৱসায় চলাই যাবলৈ দিয়া অনুজ্ঞাপত্ৰ বাতিলকৰণ আৰু আৰবান কো-অপাৰেটিভ বেংকক বেংকিং বিনিয়ম আইন, ১৯৪৯ (এ এ চি এছ)ৰ ধাৰা ২২ আৰু ৩৬(ক)(২)ৰ অধীনত এক সমবায় সমিতিলৈ ৰূপান্তৰণ - দ্য ষ্টেট ট্ৰেন্সপৰ্ট এমপ্লয়ীজ কো-অপাৰেটিভ বেংক লিমিটেড, আহমেদাবাদ (গুজৰাট)**

ৰাইজৰ জ্ঞাতাৰ্থে ইয়াৰ দ্বাৰা জনোৱা হয় যে ভাৰতীয় ৰিজাৰ্ভ বেংকে, দিনাংক ১৩ জানুৱাৰী, ২০১৭যোগে জাৰি কৰা আদেশ অনুযায়ী দ্য ষ্টেট ট্ৰেন্সপৰ্ট এমপ্লয়ীজ কো-অপাৰেটিভ বেংক লিমিটেড, আহমেদাবাদ (গুজৰাট)ৰ অনুজ্ঞাপত্ৰ বাতিল কৰা হৈছে। তদনুযায়ী, বেংকিং বিনিয়ম আইন, ১৯৪৯ৰ ধাৰা ৫(চি চি আই) আৰু আইনখনৰ ধাৰা ৫৬ৰ সৈতে পঠিত সংজ্ঞা অনুযায়ী বেংকটো "সমবায় বেংক" হিচাপে নিবৃত্ত হ'ল আৰু উক্ত আইনখনৰ উক্ত সমবায় বেংকটোত প্ৰযোজ্য সকলো উপবন্ধ ইয়াত প্ৰযোজ্য হোৱাটো ধাৰা ৫৬ৰ সৈতে পঠিত (সমবায় সমিতিত প্ৰযোজ্য মতে) বেংকিং বিনিয়ম আইন, ১৯৪৯ৰ ধাৰা ২২ৰ অধীনত (সমবায় সমিতিত প্ৰযোজ্য মতে) বেংকটোক ভাৰতত বেংকিং ব্যৱসায় চলোৱাৰ পৰা নিষেধ কৰা হৈছে। এতেকে বেংকিং বিনিয়ম আইন, ১৯৪৯ৰ ধাৰা ৫(খ)ত সংজ্ঞাৰোপিত মতে প্ৰদান/জমা পৰিশোধকে ধৰি "বেংকিঙ"ৰ ব্যৱসায়িক লেনদেন কৰাৰ পৰা বেংকটোক বাৰণ কৰা হ'ল।

**অজিত প্ৰসাদ**
সহকাৰী উপদেষ্টা

**প্ৰেছ বিজ্ঞপ্তিঃ ২০১৬-২০১৭/২১৩৪**